**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-06-2024
**Time :** 18-45 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

**- - - - - - - - - - - - - - -**

১। জ্যেষ্ঠ বিজেপি নেতা ওম বিৰলা একেৰাহে দ্বিতীয়বাৰৰ বাবে লোকসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বিৰোধী দলপতি ৰাহুল গান্ধীকে ধৰি বিশিষ্ট ব্যক্তিসকলৰ বিৰলাক অভিনন্দন।

২। ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা এন আই এৰ যোৰহাট জিলাত যোৱাবছৰত সংঘটিত গ্ৰেনেড নিক্ষেপৰ ঘটনা সন্দৰ্ভত ৪জন অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল।

৩। মাদক দ্ৰব্যৰ বিৰুদ্ধে কঠোৰ স্থিতি অক্ষুণ্ণ ৰাখি অসম চৰকাৰৰ দুহেজাৰ ১০০ কোটিতকৈও অধিক টকা মূল্যৰ মাদক দ্ৰব্য জব্দ।

৪। আন্তৰ্জাতিক মাদক দ্ৰব্য সেৱন আৰু সৰবৰাহ বিৰোধী দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন জিলাত সজাগতা কাৰ্যসূচী গ্ৰহণ।

**আৰু**

৫। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ হ'বলগীয়া ছেমি ফাইনেলত আফগানিস্তান দক্ষিণ আফ্ৰিকাৰ আৰু ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooooo

জ্যেষ্ঠ বিজেপি সাংসদ ওম বিৰলা পুনৰ লোকসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে। পদটোৰ বাবে সাংসদ কে সুৰেশক প্ৰক্ষেপ কৰা কংগ্ৰেছ দলে সদনত ভোটগ্ৰহণৰ দাবী উত্থাপন নকৰাৰ পৰিপ্ৰেক্ষিতত পূৰ্বৰ লোকসভাৰ অধ্যক্ষগৰাকী মৌখিক ভোটত একেৰাহে দ্বিতীয়বাৰৰ বাবে নিৰ্বাচিত হয়। ইয়াৰ পাছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিৰোধী দলপতি ৰাহুল গান্ধী আৰু সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে তেওঁক অধ্যক্ষৰ আসনলৈ আগবঢ়াই নিয়ে। ইয়াৰ পূৰ্বে আজি পুৱা সদন মিলিত হোৱা সময়তে প্ৰধানমন্ত্ৰী মোদী আৰু এন ডি এৰ আন ১২ গৰাকী নেতাই লোকসভাৰ অধ্যক্ষ পদৰ বাবে শ্ৰীবিৰলাৰ নাম প্ৰস্তাৱ কৰে। আনহাতে বিৰোধী পক্ষৰ হৈ শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ নেতা অৰবিন্দ সাৱন্ত, এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া ছুলে আৰু সমাজবাদী পাৰ্টিৰ সাংসদ আনন্দ ভাদৌৰীয়াই কংগ্ৰেছ সাংসদ কে সুৰেশৰ নাম প্ৰস্তাৱ কৰে।

অধ্যক্ষ পদৰ বাবে শ্ৰীবিৰলা নিৰ্বাচিত হোৱাৰ লগে লগে ইতিহাসৰ সৃষ্টি হ'ল বুলি মত প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, সদনত পৰৱৰ্তী ৫ বছৰৰ বাবে শ্ৰীবিৰলাই আগবঢ়াবলগীয়া দিহা-পৰামৰ্শৰ বাবে সকলোৱে আগ্ৰহেৰে অপেক্ষা কৰিছে। এগৰাকী সাংসদ হিচাপে শ্ৰীবিৰলাৰ ভূমিকা সংসদৰ নতুন সদস্যসকলৰ বাবে অনুপ্ৰেৰণাৰ কাৰণ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। অধ্যক্ষগৰাকীৰ নেতৃত্বত পূৰ্বৰ লোকসভাত কেইবাখনো ব্যতিক্ৰমী বিধেয়ক

গৃহীত হৈছিল বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে, সাংসদসকলৰ আচাৰ-ব্যৱহাৰ আৰু দায়বদ্ধতাই সংসদীয় গণতন্ত্ৰৰ প্ৰতি জনসাধাৰণৰ আস্থা বৃদ্ধি কৰে। একেদৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও লোকসভাৰ অধ্যক্ষ হিচাপে পুনৰ নিৰ্বাচিত হোৱা বাবে শ্ৰীবিৰলাক অভিনন্দন জনাইছে।

বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়েও নৱনিৰ্বাচিত অধ্যক্ষ শ্ৰীবিৰলাক অভিনন্দন জনাই কয় যে, এই সদনে জনসাধাৰণৰ কণ্ঠক প্ৰতিনিধিত্ব কৰে। সদনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত বিৰোধী পক্ষই সহায় সহযোগিতা আগবঢ়াব বুলিও তেওঁ শ্ৰীবিৰলাক নিশ্চিত কৰি দিয়ে। তেওঁ লগতে কয় যে, বিশ্বাস আৰু আস্থাৰ লগতে বিৰোধী পক্ষৰ ব্যক্ত্যব উত্থাপনৰ বাবে লাভ কৰা অনুমতিৰ জৰিয়তে সকলো পক্ষৰ সহযোগিতা সম্ভৱ হৈ উঠে। একেদৰে সমাজবাদী পাৰ্টিৰ নেতা অখিলেশ যাদৱেও বিৰোধী পক্ষই তেওঁলোকৰ ব্যক্তব্য উত্থাপনৰ বাবে প্ৰয়োজনীয় সময় লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। আনহাতে তৃণমূল কংগ্ৰেছৰ সাংসদ সুদীপ বন্দোপাধ্যায়ে সপ্তদশ লোকসভাত বিৰোধী দলৰ সাংসদৰ বৰ্খাস্তকৰণৰ প্ৰসংগটো উত্থাপন কৰি কয় যে, সদনত উপযুক্ত আলাপ-আলোচনাৰ জৰিয়তেহে বিধেয়ক গৃহীত হোৱা উচিত।

এতিয়া আমি সম্প্ৰতি নতুন দিল্লীত থকা আকাশবাণীৰ সংবাদদাতা মানস প্ৰতীম শৰ্মাৰ সৈতে আজি লোকসভাৰ কাৰ্যক্ৰমনিকাৰ বিভিন্ন দিশ সন্দৰ্ভত কথা পাতিবলৈ লৈছো।

প্ৰশ্ন ঃ আজি একেৰাহে দ্বিতীয়বাৰৰ বাবে ওম বিৰলা লোকসভাৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে। কালি অধ্যক্ষ বাছনিক লৈ শাসক-বিৰোধীৰ মাজত কিছু মতানৈক্য পৰিলক্ষিত হৈছিল যদিও আজি শ্ৰীবিৰলা অধ্যক্ষ নিৰ্বাচিত হয়। এই সন্দৰ্ভত আপুনি কি ক'ব। লগতে সদনৰ কাৰ্যসূচী সন্দৰ্ভত শ্ৰোতাসকলক কি জনাব-

ভইচ

অষ্টাদশ লোকসভাৰ আজিৰ দিনটোৰ গুৰুত্বপূৰ্ণ কাৰ্যসূচীসমূহ সন্দৰ্ভত আপুনি শ্ৰোতাসকলক সবিশেষ জনালে। পৰৱৰ্তী সময়ত এই সন্দৰ্ভত অধিক জানিবৰ বাবে আপোনাৰ সৈতে সংযুক্ত হ'ম। ধন্যবাদ।

০০০০০০০

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা এন আই য়ে আজি, যোৱা বছৰ ¯উগ্ৰপন্থী সংগঠন আলফাই যোৰহাটৰ এটা সামৰিক ঘাটিত গ্ৰেনেড নিক্ষেপ কৰা ঘটনা সন্দৰ্ভত আজি চাৰিজন অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছে। যোৰহাটৰ লিচুবাৰী সামৰিক ঘাটিত যোৱা ১৪ ডিচেম্বৰত এই ঘটনা সংঘটিত হৈছে। উগ্ৰপন্থী সংঘটনটোৱে উত্তৰ প্ৰদেশৰ ৰাজ্য কেইখনৰ সেনা ছাউনীসমূহত ষড়যন্ত্ৰৰ পৰিকল্পনাৰ অংশ হিচাপে এই ঘটনা সংঘটিত কৰিছিল। ইয়াৰপূৰ্বে তিনিচুকীয়া জিলাৰ কাকপথাৰৰ সেনা ছাউনীতো অনুৰূপ ঘটনা সংঘটিত হৈছিল। উগ্ৰপন্থী সংগঠন আলফা স্বাধীনে ১৫ ডিচেম্বৰত এই ঘটনাৰ দায়িত্ব গ্ৰহণ কৰি এটা প্ৰেছ বিজ্ঞপ্তি জাৰি কৰিছিল। উল্লেখযোগ্য যে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ম্যানমাৰত থকা আলফা স্বাধীনৰ স্বয়ম্ভু কেপ্তেইন অভিজিৎ গগৈ আৰু সংগঠনটোৰ মুৰব্বী পৰেশ বৰুৱাই এই ষড়যন্ত্ৰৰ পৰিকল্পনা কৰিছিল বুলি প্ৰকাশ পাইছে।

০০০০০০০

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা এন আই য়ে আজি, যোৱা বছৰ ¯উগ্ৰপন্থী সংগঠন আলফাই যোৰহাটৰ এটা সামৰিক ঘাটিত গ্ৰেনেড নিক্ষেপ কৰা ঘটনা সন্দৰ্ভত আজি চাৰিজন অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছে। যোৰহাটৰ লিচুবাৰী সামৰিক ঘাটিত যোৱা ১৪ ডিচেম্বৰত এই ঘটনা সংঘটিত হৈছিল। উগ্ৰপন্থী সংগঠনটোৱে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ সেনা ছাউনীসমূহত ষড়যন্ত্ৰৰ পৰিকল্পনাৰ অংশ হিচাপে এই ঘটনা সংঘটিত কৰিছিল। ইয়াৰপূৰ্বে তিনিচুকীয়া জিলাৰ কাকপথাৰৰ সেনা ছাউনীতো অনুৰূপ ঘটনা সংঘটিত হৈছিল। উগ্ৰপন্থী সংগঠন আলফা স্বাধীনে ১৫ ডিচেম্বৰত এই ঘটনাৰ দায়িত্ব গ্ৰহণ কৰি এটা প্ৰেছ বিজ্ঞপ্তি জাৰি কৰিছিল। উল্লেখযোগ্য যে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ম্যানমাৰত থকা আলফা

স্বাধীনৰ স্বয়ম্ভূ কেপ্টেইন অভিজিৎ গগৈ আৰু সংগঠনটোৰ মুৰব্বী পৰেশ বৰুৱাই এই ষড়যন্ত্ৰৰ পৰিকল্পনা কৰিছিল বুলি প্ৰকাশ পাইছে।

০০০০০০০

অসম চৰকাৰে মাদক দ্ৰব্যৰ বিৰুদ্ধে গ্ৰহণ কৰা কঠোৰ স্থিতি অক্ষুণ্ণ ৰাখি ২হেজাৰ ১০০ কোটিতকৈও অধিক টকা মূল্যৰ মাদক দ্ৰব্য জব্দ কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি আন্তঃৰাষ্ট্ৰীয় মাদক দ্ৰব্য আৰু নিচাযুক্ত সামগ্ৰী সৰবৰাহ বিৰোধী দিৱসৰ পৰিপ্ৰেক্ষিতত এই কথা উল্লেখ কৰি কয় যে ৰাজ্যখন মাদক দ্ৰব্য মুক্ত কৰাৰ দিশত চৰকাৰে লক্ষ্য স্থিৰ কৰিছে। ভৱিষ্যতৰ অসমখনক যাতে নতুন প্ৰজন্মই মাদক দ্ৰব্যৰ আসক্তিৰ পৰা মুক্ত হৈ সুস্থ জীৱন লাভ কৰিব পাৰে তাৰ বাবে এই প্ৰচেষ্টা লোৱা হৈছে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰচেষ্টাৰ দ্বাৰা অসমক মাদক দ্ৰব্য মুক্ত কৰাই নহয় সমগ্ৰ দেশক মাদক দ্ৰব্যৰ পৰা মুক্ত কৰিবলৈ বৃহৎ প্ৰচেষ্টাত অৰিহণা যোগোৱা হ'ব।

ইফালে, আৰক্ষীৰ বিশেষ টাস্ক ফৰ্চ আৰু কাছাৰ আৰক্ষীয়ে শিলচৰত এখন বাহনৰ পৰা ৯০০ গ্ৰাম হেৰ'ইন জব্দ কৰিছে। জব্দ কৰা হেৰ'ইনখিনিৰ মূল্য চাৰে ৪ লাখ টকাৰো অধিক হ'ব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

ৰাজ্য চৰকাৰে ২লাখতকৈ কম বাৰ্ষিক উপাৰ্জন কৰা অভিভাৱকসকলৰ সন্তানক মহাবিদ্যালয় নামভৰ্তিৰ মাছুল বহন কৰাৰ সিদ্ধান্ত লৈছে। এই ব্যৱস্থা ৰূপায়নৰ বাবে আনুমানিক ১৫০ কোটি টকা ব্যয় কৰা হ'ব। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এই কথা প্ৰকাশ কৰি কয় যে জুলাই সংশ্লিষ্ট মহাবিদ্যালয়সমূহলৈ ধন ৰাশি প্ৰেৰণ কৰা হ'ব। এই ক্ষেত্ৰত যদি কোনো শিক্ষাৰ্থীয়ে সমস্যা সন্মুখীন হয় তেন্তে জিলা আযুক্ত অথবা শিক্ষা বিভাগৰ সৈতে বিনাদ্বিধাই যোগাযোগ কৰিব পাৰিব বুলি কোৱা হৈছে।

০০০০০০০

অহা ১ জুলাইৰ পৰা দেশত তিনিখন নতুন ফৌজদাৰী আইন ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সংহিতা ২০২৩ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ২০২৩ বলৱৎ হ'ব। এই বিধেয়ক কেইখন সংসদৰ শীতকালীন অধিবেশনত গৃহীত হৈছিল। নতুন আইন কেইখনে ভাৰতীয় নাগৰিকসকলৰ সৰলীকৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। এই আইন কেইখনৰ দ্বাৰা দেশত অধিক সুলভ, সহায়ক আৰু দক্ষ ন্যায় ব্যৱস্থা গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে।

০০০০০০০

আজি ড্ৰাগছৰ অপব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী আন্তৰ্জাতিক দিৱস। এই বছৰৰ দিৱসৰ মূল বিষয়বস্তু হৈছে - **'প্ৰমাণ স্পষ্টঃ প্ৰতিৰোধৰ বাবে হাত আগবঢ়াওক'**। ৰাজ্যত শেহতীয়াকৈ এইচ আই ভি সংক্ৰমণৰ ক্ষেত্ৰত বেজীৰ দ্বাৰা ড্ৰাগছ গ্ৰহণক এটা প্ৰধান কাৰক হিচাপে বিবেচনা কৰা হৈছে। উল্লেখযোগ্য যে ড্ৰাগছ গ্ৰহণকাৰীৰ মাজত ব্যৱহৃত বেজি আৰু চিৰিঞ্জৰ আদান-প্ৰদানে এইচ আই ভি সংক্ৰমণৰ আশংকা বৃদ্ধি কৰে। ড্ৰাগছ নিৰ্ভৰশীলতাৰ উপযুক্ত চিকিৎসাৰ বাবে বেজীৰে ড্ৰাগছ গ্ৰহণকাৰীসকলে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, কাৰ্বি আংলঙৰ ডিফু চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, শিলচৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়, ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, নগাঁৱৰ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত অৱস্থিত অ' এছ টি কেন্দ্ৰসমূহলৈ যাব পাৰিব। ইয়াৰোপৰি গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰতো অ' এছ টি সেৱা উপলব্ধ হ'ব।

অসমৰ বিভিন্ন জিলাৰ লগতে গুৱাহাটী মহানগৰীত এই দিৱসৰ সৈতে সংগতি ৰাখি চৰকাৰী ৰে'ল আৰক্ষী আৰু ৰে'ল সুৰক্ষা বাহিনীয়ে গুৱাহাটী ৰে'লৰে ষ্টেচনৰ পৰা নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে সজাগতামূলক ৰেলী উলিয়ায়। আনহাতে

ডিফুত ১৬ কোটি টকাতকৈ অধিক মূল্যৰ ড্ৰাগছ্ জ্বলাই দিয়া হয়। একেদৰে ধুবুৰী, বিলাসীপাৰা, চাপৰকে ধৰি ৮খন থানাই জব্দ কৰা ড্ৰাগছ্‌সমূহ জিলা প্ৰশাসনে দাহন কৰে।

ইপিনে কোকৰাঝাৰ জিলাত এই দিৱসৰ সৈতে সংগতি ৰাখি শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত সজাগতামূলক অনুষ্ঠান অনুষ্ঠিত হয়।

দৰং জিলাৰ মঙলদৈৰ অসামৰিক চিকিৎসালয়ত মানসিক বিভাগৰ উদ্যোগত আৰু স্থানীয় বেচৰকাৰী সংগঠনৰ সহযোগত সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়।

বৰপেটাত জিলা প্ৰশাসন আৰু জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত ভেল্লা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে ড্ৰাগছ্ তথা নিচাযুক্ত সামগ্ৰী ব্যৱহাৰৰ ভয়াৱহতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে।

মাজুলীত অসম ৰাজ্যিক মাদক দ্ৰব্য নিবাৰণী পৰিষদ আৰু জিলা প্ৰশাসনৰ উদ্যোগত এই দিৱস পালন কৰা হয়। মাজুলী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক বিতুল চেতিয়া, গড়মূৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰমিন্দ্ৰ সিঙৰ নেতৃত্বত আৰক্ষী আৰু মুখাপৰিহিত লোকৰ দ্বাৰা নিচাযুক্ত সামগ্ৰীৰ ব্যৱহাৰৰ বিৰোধিতাৰে পদযাত্ৰা উলিওৱা হয়। আৰক্ষী বিষয়াসকলে এই পদযাত্ৰাত অংশগ্ৰহণ কৰি নৱপ্ৰজন্মক নিচাযুক্ত সামগ্ৰীৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়।

ooooooo

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮-সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিৱেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ ৯৭১৬৬-৮০৯৬৯ আৰু ৯৬১৯৬-৮৬৬৫৯ নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন ২৮ জুনৰ সন্ধিয়া ৭ বজা ধাৰ্য কৰা হৈছে। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

আকাশবাণী গুৱাহাটীয়ে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি শ্ৰোতাসকলক তেওঁলোকৰ পুৰণি ৰেডিঅ' ছেট আনৰ আগতো প্ৰদৰ্শন কৰাৰ সুযোগ দিব বিচাৰিছে। এই সুযোগ গ্ৰহণ কৰাৰ বাবে কমেও ৩০ বছৰ পুৰণি আপোনাৰ ৰেডিঅ'টিৰ এখন ফটো, গৰাকীৰ নাম, ক্ৰয় কৰাৰ বৰ্ষ আৰু যোগাযোগৰ নম্বৰসহ 60035-40566 WHATSAPP নম্বৰ আৰু AIRGHY@GMAIL.COM ই-মেইল আইডি লৈ ২৮ জুনৰ পূৰ্বে পোৱাকৈ পঠিয়াব পাৰে। নিৰ্বাচিত তিনিগৰাকী অংশগ্ৰহণকাৰীক পুৰস্কৃত কৰা হ'ব।

ooooooo

মৰিগাওঁ জিলাত জন্মৰ প্ৰমাণ পত্ৰ পলমকৈ উলিওৱাৰ বাবে জিলা প্ৰশাসনৰ পৰা অনুমতি লাভ কৰিবলৈ কৰা আবেদন সন্দৰ্ভত ব্যাপক অনিয়মৰ ঘটনা পোহৰলৈ আহিছে। পলমকৈ প্ৰমাণ পত্ৰ উলিওৱাৰ বাবে আবেদনত ভুৱা নথি দাখিল কৰাৰ কেইবাটাও সন্দেহজনক ঘটনা দৃষ্টিগোচৰ হোৱাৰ পাছত জিলা প্ৰশাসনে জিলাখনৰ আৰক্ষী অধীক্ষকক বিষয়টোৰ সন্দৰ্ভত অৱগত কৰোৱাৰ লগতে এজাহাৰ দাখিল কৰিছে। উল্লেখযোগ্য যে জন্মৰ এবছৰ পাৰ হোৱা শিশু বা বয়স্ক ব্যক্তিৰ জন্মৰ প্ৰমাণ পত্ৰ উলিওৱাৰ ক্ষেত্ৰত জিলা প্ৰশাসনৰ পৰা অনুমতি লোৱাতো বাধ্যতামূলক। এই অনুমতি পত্ৰৰ অবিহনে কোনো চিকিৎসালয়ে বিলম্ব হোৱা জন্মৰ প্ৰমাণ পত্ৰ জাৰি কৰিব নোৱাৰে। এই প্ৰমাণ পত্ৰ লাভ কৰিবলৈ আবেদন পত্ৰৰ সৈতে সাত বিধ নথি জিলা প্ৰশাসনক দাখিল কৰিব লাগে। ইয়াৰ ভিতৰত আদালতৰ শপতনামা, গাওঁবুঢ়াৰ

প্ৰমাণ পত্ৰ, চিকিৎসালয়ৰ প্ৰমাণ পত্ৰ আদি অন্যতম। প্ৰক্ৰিয়াটোত কেইখন প্ৰমাণ পত্ৰক লৈ সন্দেহৰ সৃষ্টি হোৱাত জিলা প্ৰশাসনৰ এগৰাকী কাৰ্যবাহী দণ্ডাধীশে তদন্ত আৰম্ভ কৰে।

oooooooo

মাজুলি জিলাত কৃষি বিভাগৰ বিভিন্ন আঁচনিৰ পৰিদৰ্শনৰ বাবে অসম কৃষি সঞ্চালকালয়ৰ এটা দলে আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে মাজুলি ভ্ৰমণ কৰিছে। দলটোৱে এই ভ্ৰমণকালত কৃষি বিভাগৰ কাৰ্যালয় পৰিদৰ্শন কৰাৰ লগতে কৃষক উৎপাদক কোম্পানীৰ কাৰ্যালয় পৰিদৰ্শন কৰে। ইয়াৰ লগতে জিলাখনৰ কৃষকৰ কৃষি পদ্ধতিৰ মূল্যাংকন কৰাৰ উপৰি বিভিন্ন প্ৰান্তত অব্যাহত থকা আঁচনিসমূহৰ ৰূপায়নৰ অগ্ৰগতিৰ বুজ লয়।

oooooooo

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ হ'বলগীয়া ছেমি ফাইনেলত আফগানিস্তান দক্ষিণ আফ্ৰিকাৰ আৰু ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কাইলৈ পুৱা ত্ৰিনিদাদৰ ব্ৰায়ন লাৰা ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেল আফগানিস্তান আৰু দক্ষিণ আফ্ৰিকাৰ মাজত অনুষ্ঠিত হোৱাৰ বিপৰীতে আনখন খেল নিশা গায়ানাত অনুষ্ঠিত হ'ব। এই খেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে, প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন শনিবাৰে বাৰবাডোছৰ ব্ৰীজটাউনত অনুষ্ঠিত হ'ব।

oooooooo

সমাপ্ত